# গোহাৰি



শ্ৰদ্ধেয় অসমবাসী ৰাইজ,

ৰাজ্যখনক বিদেশীমুক্ত কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) উন্নীতকৰণৰ কাম হাতত লৈছে। কেন্দ্ৰীয় চৰকাৰৰ নীতি নিৰ্দেশনা অনুসৰি এন আৰ চি উন্নীতকৰণৰ কাম ২০১৬ চনৰ জানুৱাৰী মাহৰ ভিতৰত সম্পন্ন কৰা হ'ব। এন আৰ চিৰ উদ্দেশ্য হৈছে প্ৰকৃত ভাৰতীয় নাগৰিকৰ নাম তালিকাভূক্ত কৰা। এই তালিকাত কোনো বিদেশী নাগৰিকৰ নাম সন্নিবিষ্ট হ'ব নোৱাৰে। সবিশেষ তথ্যৰ বাবে এন আৰ চি সেৱা কেন্দ্ৰত যোগাযোগ কৰক। এন আৰ চিৰ কামত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ লগত সহযোগ কৰি প্ৰকৃত নাগৰিকৰ দায়িত্ব পালন কৰক।

(তৰুণ গগৈ)
মুখ্যমন্ত্ৰী, অসম

• ৰাজ্যখনৰ সকলোবোৰ জিলাত ২৫০০ এন এছ কে (নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ) মুকলি কৰা হৈছে। • সমগ্ৰ ৰাজ্যখনৰ ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগতে প্ৰকাশিত ভোটাৰ তালিকাসমূহৰ উপলব্ধ তথ্য (যাক একেলগে লিগেচি ডাটা বুলি কোৱা হয়) প্ৰত্যেকটো নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ (এন এছ কে)ত কম্পিউটাৰযোগে আৰু অনলাইন (ৱেবচাইট - **www.nrcassam.nic.in**)ৰ যোগেদি মুকলি কৰা হৈছে। • উক্ত লিগেচি ডাটাসমূহৰ ছপা কৰা প্ৰতিলিপি নাগৰিকপঞ্জী সেৱা কেন্দ্ৰ (এন এছ কে)ত আৰু ভোটগ্ৰহণ কেন্দ্ৰসমূহত প্ৰকাশ কৰা হৈছে। • লিগেচি ডাটাত নিজৰ / উপৰিপুৰুষৰ নাম নাথাকিলেও নাগৰিকসকলে অনুমোদিত অন্যান্য নথি ক্ৰমে ১) ভূমিস্বত্বৰ/ ৰায়তীস্বত্বৰ নথিপত্ৰ ২) নাগৰিকত্বৰ প্ৰমাণপত্ৰ ৩) স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ ৪) শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰ ৫) পাৰপত্ৰ (পাছপোৰ্ট) ৬) ভাৰতীয় জীৱন বীমা নিগমৰ বীমা পলিচি ৭) চৰকাৰৰ দ্বাৰা প্ৰদত্ত অনুজ্ঞাপত্ৰ/প্ৰমাণপত্ৰ ৮) চৰকাৰী / ৰাজহুৱা খণ্ডৰ নিযুক্তি সম্পৰ্কীয় প্ৰমাণপত্ৰ ৯) বেঙ্ক/ ডাকঘৰৰ হিচাবৰ নথিপত্ৰ ১০) জন্মৰ প্ৰমাণপত্ৰ ১১) বোৰ্ড / বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰমাণপত্ৰ ১২) আদালতৰ নথি / আদালতৰ প্ৰক্ৰিয়াজনিত নথি *১৩) বিবাহৰ পাছত আন গাঁৱলৈ স্থানান্তৰিত হোৱা মহিলাসকলৰ বাবে গাঁও পঞ্চায়তৰ সচিবৰ দ্বাৰা জাৰি কৰা আৰু স্থানীয় ৰাজহ বিষয়াৰ দ্বাৰা প্ৰতি স্বাক্ষৰিত প্ৰমাণপত্ৰ / বিবাহৰ পাছত চহৰৰ পৰা স্থানান্তৰিত হোৱা মহিলাসকলৰ বাবে চক্ৰ বিষয়াৰ দ্বাৰা জাৰি কৰা প্ৰমাণপত্ৰ আৰু *১৪) ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)লৈ উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা জাৰি কৰা ৰেচন কাৰ্ড দাখিল কৰি নাগৰিকপঞ্জীত নাম অন্তৰ্ভূক্তিৰ বাবে আবেদন জনাব পাৰিব।

** ক্ৰমিক ১৩ আৰু ১৪ নম্বৰত উল্লেখিত নথি সমৰ্থনমূলক নথি হিচাবেহে গ্ৰাহ্য হ'ব।*

আবেদনপত্ৰসমূহ ২০১৫ চনৰ এপ্ৰিল মাহৰ অন্তিম সপ্তাহত জনসাধাৰণৰ মাজত বিতৰণ কৰা হ'ব আৰু ২০১৫ চনৰ জুলাই মাহৰ ভিতৰত প্ৰয়োজনীয় নথি সংলগ্ন কৰি সম্পূৰ্ণকৈ পূৰণ কৰা আবেদনপত্ৰসমূহ দাখিল কৰিব লাগিব।

নাগৰিকপঞ্জী সেৱা কেন্দ্ৰত বা অনলাইনযোগে লিগেচি ডাটা চোৱা আৰু লিগেচি ডাটা ক'ড প্ৰদান সম্পূৰ্ণ বিনামূলীয়া।

NRC
NATIONAL REGISTER OF CITIZENS

বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ টোল ফ্ৰী/ হেল্পলাইন নম্বৰ
১৫১০৭ (15107)

আমাৰ ৱেবচাইট
www.nrcassam.nic.in

*ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।*

Exclusive/NRC/04-2015/04